# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। পাকিস্তানে জম্মু-কাশ্মীৰৰ ছটৱাৰী, চাম্বা, আৰএছপুৰা আৰু আৰ্নিয়াক লক্ষ্য কৰি যোৱানিশা ৮টাকৈ ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰে।

২। সশস্ত্ৰ বাহিনীসমূহে কালি পাকিস্তানৰ বিভিন্ন স্থানত বায়ু প্ৰতিৰক্ষা ৰাডাৰ আৰু প্ৰণালীক লক্ষ্য কৰি আক্ৰমণ চলায়।

৩। বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰা সন্ত্ৰাসবাদৰ গোলকীয় কেন্দ্ৰ হিচাপে পাকিস্তানৰ স্বৰূপ প্ৰকাশ পাইছে বুলি বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে।

৪। পাকিস্তানৰ শেহতীয়া আগ্ৰাসী মনোভাবৰ প্ৰতি লক্ষ্য ৰাখি কিষনগঢ়, ভুন্তৰ আৰু লুধিয়ানা বিমান বন্দৰ বন্ধ কৰি দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজত হিমাচল প্ৰদেশৰ ধৰমশালাত  অনুষ্ঠিত খেলখন সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে বাতিল কৰা হয়।

ooooo

পাকিস্তানে জম্মু-কাশ্মীৰৰ ছটৱাৰী, চাম্বা, আৰএছপুৰা আৰু আৰ্নিয়াক লক্ষ্য কৰি যোৱানিশা ৮টাকৈ ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰে। প্ৰতিৰক্ষা সূত্ৰই কৰা মতে, বায়ু আক্ৰমণ প্ৰতিৰোধী গোটে আটাইকেইটা ক্ষেপনাস্ত্ৰ ধৰা পেলায় আৰু এই আক্ৰমণ ব্যৰ্থ কৰে। আক্ৰমণৰ সময়ত জম্মুৰ আকাশৰ দৃশ্যই ইজৰাইলৰ ওপৰত হামাছে চলোৱা আক্ৰমণৰ কথা সোঁৰৰাই দিয়ে। ইয়াৰ পৰা পাকিস্তানী সেনাই যে, সন্ত্ৰাসবাদী সংগঠন হামাছৰ দৰে কাম আৰু আচৰণ কৰিবলৈ লৈছে সেয়া স্পষ্ট হৈ পৰে। উল্লেখযোগ্য যে, পাকিস্তানৰ চোৰাং চোৱা সংস্থা আই এছ আই আৰু হামাছ যোৱামাহত পাকিস্তান অধিকৃত কাশ্মীৰত বৈঠকত মিলিত হৈছিল।

আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ জম্মু, পাঠানকোট আৰু উধমপুৰৰ সামৰিক ঘাটিসমূহক লক্ষ্য কৰি পাকিস্তানে ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ কৰে। অঞ্চলটোত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা নাই। সেনাই মানবিশিষ্ট কাৰ্য সম্পাদন বিধি অনুসৰি গতিক আৰু অ-গতিক মাধ্যমেৰে এই আক্ৰমণ ব্যৰ্থ কৰে। প্ৰতিৰক্ষা সূত্ৰসমূহে প্ৰকাশ কৰা মতে পশ্চিম সীমান্তৰ ভালেমান ঠাইত শত্ৰুপক্ষৰ ড্ৰোণ পৰিলক্ষিত হয়। বায়ুসেনাৰ প্ৰতিৰক্ষা প্ৰণালী এই ড্ৰোণসমূহ ধবংস কৰে। ইপিনে যোৱানিশা প্ৰায় ১১ বজাত সীমান্ত সুৰক্ষা বাহিনীয়ে জম্মু-কাশ্মীৰৰ চাম্বা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অনুপ্ৰৱেশৰ বৃহৎ প্ৰচেষ্টা ব্যৰ্থ কৰে।

০০০০০

সশস্ত্ৰ বাহিনীসমূহে কালি পাকিস্তানৰ বিভিন্ন স্থানত বায়ু প্ৰতিৰক্ষা ৰাডাৰ আৰু প্ৰণালীক লক্ষ্য কৰি আক্ৰমণ চলায়। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আক্ৰমণত লাহোৰৰ এটা বায়ু প্ৰতিৰক্ষা প্ৰণালী ধ্বংস হয়। ভাৰতে পাকিস্তানৰ আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ হিচাপে  এই প্ৰত্যাক্ৰমণ চলোৱা বুলি মন্ত্ৰালয়ে মন্তব্য কৰিছে। পাকিস্তানে কালি ড্ৰোণ আৰু ক্ষেপনাস্ত্ৰৰ সহায়ত অৱন্তিপুৰা, শ্ৰীনগৰ, জম্মু, পাঠানকোট, অমৃতসৰ, কপুৰথলা, জলন্ধৰ, লুধিয়ানা, আদমপুৰ, ভাটিন্দা, চণ্ডীগড়, নল, ফালড়ি আৰু ভুজকে ধৰি উত্তৰ আৰু পশ্চিম ভাৰতৰ কেইবাচাও সামৰিক স্থানক লক্ষ্য কৰি লোৱাৰ চেষ্টা চলায়।

০০০০০

পাঞ্জাৱত সশস্ত্ৰ বাহিনীয়ে যোৱা নিশা পাঠানকোট, জলন্ধৰ, অমৃতসৰ, ভাটিন্দাকে ধৰি কেইবাটাও স্থানক লক্ষ্য কৰি পাকিস্তানে কৰা একাধিক আক্ৰমণৰ প্ৰচেষ্টাক প্ৰতিহত কৰে। জলন্ধৰ, পাঠানকোট আৰু ভাটিণ্ডাকে ধৰি কেইবাখনো জিলাৰ উপ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে জানিবলৈ দিছে যে, পাকিস্তানে ড্ৰ'নকে ধৰি নিক্ষেপ কৰা আন বিভিন্ন ক্ষেপনাস্ত্ৰ সশস্ত্ৰ বাহিনীয়ে নিষ্ক্ৰিয় কৰে।

এই আক্ৰমণত এই পৰ্যন্ত কোনো ক্ষয়-ক্ষতিৰ খবৰ প্ৰকাশ পোৱা নাই। পাকিস্তানৰ সৈতে ৫৫৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত বাটোৱাৰা পাঞ্জাৱত সম্প্ৰতি হাই এলাৰ্ট জাৰি কৰা হৈছে। পাঞ্জাৱ আৰক্ষীয়ে ইতিমধ্যে জোৱানসকলৰ সকলো ছুটী বাতিল কৰিছে। যিকোনো চিকিৎসা সম্পৰ্কীয় বা আন জৰুৰীকালীন অৱস্থাৰ সন্মুখীন হ'ব পৰাকৈ ৰাজ্যখনৰ স্বাস্থ্য বিভাগক সাজু থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। সকলো বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত বন্ধ ঘোষণা কৰাৰ লগতে সকলো পৰীক্ষাও স্থগিত ৰখা হৈছে।

০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰা সন্ত্ৰাসবাদৰ গোলকীয় কেন্দ্ৰ হিচাপে পাকিস্তানৰ স্বৰূপ প্ৰকাশ পাইছে বুলি বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি বিয়লি সিন্দূৰ অভিযান সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমিশ্ৰিয়ে কয়, যে পেহেলগামত যোৱা ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ প্ৰকৃত অৰ্থত উত্তেজনা বৃদ্ধিৰ প্ৰয়াস আছিল আৰু ভাৰতে ইয়াৰ প্ৰত্যুত্তৰহে দিছে। তেওঁ কয়, যে উত্তেজনা বৃদ্ধি ভাৰতৰ কাম্য নহয় আৰু ভাৰতে পাকিস্তানত থকা সন্ত্ৰাসবাদী ঘাটিসমূহক লক্ষ্য কৰিহে আক্ৰমণ চলাইছে। বিদেশ সচিবগৰাকীয়ে কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ পেহেলগাম আক্ৰমণ সন্দৰ্ভত আলোচনা চলি থকাৰ সময়ত পাকিস্তানে প্ৰেছ বিবৃতিত দি ৰেজিষ্টেনছ ফ্ৰণ্ট টি আৰ এফৰ নাম উল্লেখ কৰাৰ বিৰোধিতা কৰিছিল। টি আৰ এফে পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰাৰ পিছতো পাকিস্তানে এনে কৰি নিজৰ স্বৰূপ উদঙাই দিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কালি সন্ধিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবীয়োৰ সৈতে কথা পাতে আৰু সীমান্তৰে চলোৱা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নিৰ্ধাৰিত আৰু সু-পৰিকল্পিত ব্যৱস্থাৰ বিষয়ে অৱগত কৰে।  ড° জয়শংকৰে  সামাজিক মাধ্যম যোগে কয়, যে ভাৰতে আক্ৰমণ তীব্ৰতৰ কৰি তোলাৰ যিকোনো প্ৰচেষ্টা দৃঢ়তাৰে প্ৰতিহত কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাৰতৰ সৈতে কাম কৰাৰ বাবে

আমেৰিকাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ শলাগ লয়। ড° জয়শংকৰে কালি ইটালীৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী এণ্ট'নিঅ' তজানিৰ সৈতে দূৰসংযোগ ব্যৱস্থাৰে আলোচনাত মিলিত হয়। বিদেশ মন্ত্ৰীদ্বয়ে ভাৰতৰ সু-পৰিকল্পিত আৰু সু-চিন্তিত আক্ৰমণৰ বিষয়ে আলোচনা কৰে। পাকিস্তানে সংঘৰ্ষ বৃদ্ধিৰ বাবে চলোৱা যিকোনো প্ৰয়াসৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বিদেশমন্ত্ৰীগৰাকীয়ে ইউৰোপীয় সংঘৰ বিদেশ পৰিক্ৰমা আৰু সুৰক্ষা নীতি বিষয়ক উচ্চ পৰ্যায়ৰ প্ৰতিনিধি কাজা কল্লাছৰ সৈতেও সাম্প্ৰতিক ঘটনাক্ৰমৰ বিষয়ে কালি আলোচনা কৰে। আলোচনা কালত ড° জয়শংকৰে কয়, যে ভাৰতে সংযম ৰক্ষা কৰি আছে। তেওঁ লগতে সংঘৰ্ষ বৃদ্ধিৰ প্ৰচেষ্টা সমীচিন প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সকীয়াই দিয়ে।

ooooo

পাঠানকোট অথবা ৰাজৌৰিত আত্মঘাটি সন্ত্ৰাসবাদী আক্ৰমণৰ বাতৰি সম্পূৰ্ণৰূপে ভুৱা বুলি প্ৰতিৰক্ষা বিভাগে প্ৰকাশ কৰিছে। তেওঁলোকে লগতে দুয়োফালে টেংকৰ কোনো গতিবিধি পৰিলক্ষিত হোৱা নাই বুলি স্পষ্ট কৰি দিছে।

ooooo

পাকিস্তানৰ শেহতীয়া আগ্ৰাসী মনোভাবৰ প্ৰতি লক্ষ্য ৰাখি কিষনগঢ়, ভুন্তৰ আৰু লুধিয়ানা বিমান বন্দৰ বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে ৰাজস্থান, পাঞ্জাব, জম্মু-কাশ্মীৰ, চণ্ডীগড় আৰু হিমাচল প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যৰ বিমান বন্দৰৰ সেৱা বাতিল কৰা হৈছিল। ইপিনে, অ-সামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সমগ্ৰ দেশৰ বিমান বন্দৰসমূহ বন্ধ কৰি দিয়া হৈছে বুলি ওলোৱা বাতৰিক খণ্ডণ কৰিছে।

দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই যাত্ৰা সম্পৰ্কীয় পৰামৰ্শ জাৰি কৰিছে আৰু বন্দৰটোৰ কাম-কাজ স্বাভাৱিক হৈ থকা বুলি প্ৰকাশ কৰিছে। অৱশ্যে আকাশী পথ সলনি কৰা আৰু কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ বাবে একাংশ বিমানৰ উৰণৰ প্ৰভাৱিত হোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে।

ooooo

মহম্মদ ইউনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰে সশস্ত্ৰ বাহিনীৰ কমিচনপ্ৰাপ্ত বিষয়াৰ দণ্ডাধীশৰ ক্ষমতা ৬০ দিনলৈ বৃদ্ধি কৰিছে। বাংলাদেশত আইন-শৃংখলা পৰিস্থিতি বৰ্তাই ৰখাৰ লক্ষ্যৰে লোৱা এই পদক্ষেপ অহা ১৪ মে'ৰ পৰা কাৰ্যকৰী হ'ব। এই সন্দৰ্ভত জাৰি কৰা এক অধিসূচনা অনুসৰি বাংলাদেশৰ সশস্ত্ৰ বাহিনীত কেপ্টেইন আৰু তাতকৈ উচ্চ পদবীৰ কমিচনপ্ৰাপ্ত বিষয়াসকলক সমগ্ৰ দেশতে বিশেষ কাৰ্যবাহী দণ্ডাধীশৰ ক্ষমতা প্ৰদান কৰা হৈছে। উপকূলৰক্ষী বাহিনী আৰু ব'ৰ্ডাৰ গাৰ্ড বাংলাদেশত ডেপুটেচনত কৰ্মৰত সামৰিক বিষয়াসকলকো একে অধিকাৰ প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে, বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰে আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ বাবে যোৱা বৰ্ষৰ ১৭ ছেপ্টেম্বৰত কমিচনপ্ৰাপ্ত সেনা বিষয়াক ৬০ দিনৰ বাবে দণ্ডাধীশৰ ক্ষমতা প্ৰদান কৰিছিল। পাছলৈ ক্ৰমে ১২ জানুৱাৰী আৰু ১৩ মাৰ্চত এই সময় বৃদ্ধি কৰা হয়।

ooooo

আমেৰিকাৰ ধৰ্মগুৰু ৰবাৰ্ট ফ্ৰান্সিছ প্ৰেভ'ষ্ট পোপ হিচাপে নিৰ্বাচিত হৈছে। তেওঁ কেথ'লিক গীৰ্জাৰ ইতিহাসৰ প্ৰথমজন মাৰ্কিন পোপ। শ্ৰীপ্ৰেভ'ষ্টক চতুৰ্দশ পোপ লিঅ'ৰ নামেৰে জনা যাব।

ছিকাগোত জন্মগ্ৰহণ কৰা ৬৯ বছৰীয়া প্ৰেভষ্ট অগাষ্টিনিয়ান অৰ্ডাৰৰ সদস্য আৰু তেওঁ পেৰুত সেৱা আগবঢ়াই আহিছে। ২০২৩ চনত পোপ ফ্ৰান্সিছে তেওঁক ডিকাষ্টেৰী ফৰ বিশ্বপৰ প্ৰিফেক্ট আৰু লেটিন আমেৰিকাৰ পন্টিফিকেল কমিছনৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে।

ভেটিকান বেলকনীৰ পৰা জনতাক সম্বোধন কৰি ৰোমান কেথলিক গীৰ্জাৰ নতুন মুৰব্বীগৰাকীয়ে সকলোৰে বাবে শান্তিৰ কামনা কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজত হিমাচল প্ৰদেশৰ ধৰমশালাত  অনুষ্ঠিত খেলখন সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে বাতিল কৰা হয়। পাকিস্তানৰ সম্ভাব্য আক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ফ্লাড লাইট নুমুওৱাৰ সময়ত পাঞ্জাব কিংছে ১০ অভাৰ আৰু এটা বলত এটা উইকেটৰ বিনিময়ত ১২২ ৰান কৰি খেলি আছিল।

ইপিনে, পাঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত ধৰমশালাত হ'বলগীয়া খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামলৈ স্থানান্তৰিত কৰা হৈছে। সাম্প্ৰতিক প্ৰত্যাহ্বানৰ বাবে খেলখনৰ স্থান সলনি কৰা হৈছে। দেওবাৰে পূৰ্বৰ সূচী অনুসৰি বিয়লি চাৰে ৩ বজাত খেলখন খেলোৱা হ'ব।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**